بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আলখামিছ (আইঃ)য়ে ১৬ জুন ২০২৩ ইং চনত মছজিদ মোবাৰক ইছলামাবাদ লণ্ডন (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**আঁহজৰত (ছাঃ)ৰ বদৰ যুদ্ধৰ প্ৰস্তুতি আৰু যাত্ৰা কৰাৰ সময়ত সংঘটিত হোৱা ঈমান বৰ্দ্ধক ঘটনা সম্পৰ্কে বৰ্ণনা**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ. بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ. اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ. الرَّحْمٰنِ الرَّحِيْمِ. مٰلِكِ يَوْمِ الدِّيْنِ. إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ. اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ. صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ.

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে কাফিৰে মক্কাৰ যুদ্ধ প্ৰস্তুতি সম্পৰ্কে কিছুমান ঘটনাৰ বৰ্ণনা কৰা হৈছে। এই সম্পৰ্কে আৰু বৰ্ণনা এই ধৰণে উল্লেখ আছে। উমিয়া বিন খালপ আৰু আবু লাহাবে যুদ্ধত অংশ গ্ৰহণ কৰাৰ পৰা আঁতৰি থাকিব বিচাৰিছিল। কিন্তু আবু জাহিলে এই সম্পৰ্কে গম পাই উমিয়া বিন খালপৰ ওচৰত আহি কৈছিল যে তুমি কুৰাইছ সকলৰ চৰকাৰৰ মাজত এজন চৰদাৰ। গতিকে যদি তুমি যুদ্ধত অংশ গ্ৰহণ নকৰা তেন্তে বেলেগ লোকেও পিছুৱাই যাব। সেয়ে তুমি আমাৰ লগত যাব লাগিব। লাগিলে এটা দুটা দিন কোনোমতে কষ্ট কৰি থাকি ওভতি আহিবা। আচলতে উমিয়া বিন খালপে যুদ্ধত অংশ গ্ৰহণ কৰিব নিবিচৰাৰ মূল কাৰণ আছিল ৰছুলুল্লাহ (ছাঃ)য়ে উমিয়াৰ বিনাশৰ ভৱিষ্যদ্বাণী কৰি থৈছিল। ইয়াৰ সবিশেষে বৰ্ণনা ছহি বোখাৰীত উল্লেখ আছে।

ইফালে আবু লাহাবে নিজৰ পৰিৱৰ্তে আন এজন লোকক পঠিয়াই দিছিল। আবু লাহাবে আতিকা বিনতে আব্দুল মোতালিবৰ সপোনৰ বৰ্ণনা শুনি যুদ্ধত অংশ গ্ৰহণ কৰিবলৈ ভয় কৰিছিল। আবু লাহাবে কৈছিল যে আতিকাৰ সপোনৰ অৰ্থ এনেকুৱা যে যেনিবা কোনো এজন ব্যক্তিৰ হাতত কোনো বস্তু এটা দি পঠোৱা হৈছে।

কাফিৰে মক্কাৰ সৈন্যদল বৰ বীৰদৰ্পে যাত্ৰা কৰিছিল। সিহঁতৰ সৈন্য সংখ্যা আছিল এহেজাৰ।

কোনো কোনো এজনৰ মতে সিহঁতৰ ওচৰত এশ ঘোঁৰা কোনো জনৰ মতে দুশ ঘোঁৰা, সাত শ উট,ছুশ জৰ আৰু অন্যান্য সা-সৰঞ্জাম যেনে বল্লম,তৰোৱাল আৰু তীৰ কামান অসংখ্য আছিল।

কুৰাইছৰ সৈন্যদল মক্কাৰ পৰা ওলাই আহি জোহাফা নামক ঠাইত অৱস্থান কৰে। যি ঠাইখন মদিনাৰ পৰা ৪২ মাইল দূৰত অৱস্থিত। তাতে জহিম বিন ছালফ নামৰ এজন ব্যক্তিয়ে লোকৰ আগত নিজে দেখিবলৈ পোৱা এটা সপোনৰ বৰ্ণনা কৰে। সপোনত তেওঁ এই দৃশ্য দেখিছিল যে এজন ব্যক্তি ঘোঁৰাত উঠি আহি আছে, তাৰ লগত এটা উটও আছে। তেওঁ আহি কৈ আছে যে উতবা বিন ৰবিয়া,শ্বাইবা বিন ৰবিয়া; আবুল হাকাম বিন হিশাম অৰ্থাৎ আবু জাহিল, উমিয়া বিন খালপ আৰু অমুক অমুক কুৰাইছৰ চৰদাৰ নিহত হৈ গৈছে। সি তাৰ উটৰ ডিঙিত বল্লমেৰে আঘাত হানি আমাৰ তম্বুৰ ফালে খেদি পঠিয়ায়। এনেদৰে সেই লোকজনৰ উটৰ তেজৰ চেঁকা আমাৰ সৈন্য বাহিনীৰ প্ৰত্যেক তম্বুৰ মাজত লাগি যায়। সপোনৰ এনে ব্যাখ্যা শুনি আবু জাহিলে বিদ্ৰোপ আৰু খঙেৰে কয় যে বনু আব্দুল মোতালিবত এয়া আৰু এজন নবীৰ জন্ম হ'ল নেকি ? কালি যদি আমি যুদ্ধ কৰো, তেন্তে তেতিয়া গম পাবা কোনে নিহত হয় আৰু কোনে নহয়।

আবু ছুফিয়ানও আবু জাহিলক খবৰ দিছিল যে তোমালোকে যুদ্ধ পৰিহাৰ কৰিবলৈ চেষ্টা কৰা। আবু ছুফিয়ানৰ এই খবৰ শুনি আবু জাহিলে কৈছিল যে খোদাৰ শপত ! আমি বদৰ প্ৰান্তলৈ নিশ্চয় যাম, আৰু তাতে নিজৰ উট জবাই কৰিম, মদ পান কৰিম, আমাৰ দাসী বিলাকে আমাৰ সন্মুখত গাই গাই নাচিব। গোটেই আৰবত আমাৰ এই অভিযান আৰু সৈন্যৰ খবৰ প্ৰচাৰিত হ'ব আৰু তেওঁলোকে আমাক সদায় ভয় কৰিব।

আবু ছুফিয়ানৰ এই বাৰ্তা শুনি বনু আদি আৰু বনু জাহেৰা ওভতি গৈছিল। আবু তালিবৰ পুত্ৰ তালিবেও কাফিৰ সকলৰ লগত আছিল, বাটতে কাফিৰ সকলে তেওঁক কৈছিল আমি জানো তুমি অৱশ্যই আমাৰ লগত আহিছা কিন্তু তোমাৰ আচল সহানুভূতি মহম্মদ (ছাঃ)ৰ প্ৰতিহে আছে। এই কথাবোৰ শুনি তালিবে নিজৰ কেইজনমান লগৰীয়াক লৈ ওভতি যায়। তিব্ৰিৰ এটা বৰ্ণনাত এয়াও উল্লেখ আছে যে তালিবে কাফিৰ সকলৰ অনিচ্ছা সত্ত্বেও তেওঁলোকৰ লগত আহিছিল কিন্তু তেওঁৰ বিষয়ে যুদ্ধত নিহত হোৱা সকলৰ তালিকাত উল্লেখ নাই আৰু ওভতি যোৱাৰও কোনো উল্লেখ নাই।

ৰছুলুল্লাহ (ছাঃ)য়ে ২ হিজৰীৰ ৰমজান মাহৰ ১২ তাৰিখত মদিনাৰ পৰা বদৰলৈ যাত্ৰা কৰিছিল। তেখেত (ছাঃ)ৰ লগত মাত্ৰ তিনিশৰ ওপৰত কেইজনমান চাহাবা আছিল। বেছিভাগ বৰ্ণনাত মুছলমান সকলৰ সংখ্যা ৩১৩ জন আছিল বুলি উল্লেখ আছে। তাৰে ৭৪ মুহাজিৰিণ আৰু বাকী কেইজন আনছাৰ লোক আছিল। এয়াই আছিল মুছলমান সকলৰ প্ৰথম যুদ্ধ য'ত আনছাৰ সকলে প্ৰথমে অংশ গ্ৰহণ কৰিছিল। হজৰত উচমান বিন আফফান (ৰাঃ)ক ৰছুলুল্লাহ (ছাঃ)য়ে মদিনাত থাকিবলৈ আদেশ দিছিল কাৰণ তেখেত (ৰাঃ)ৰ পত্নী হজৰত ৰুকিয়া বিনতে ৰছুলুল্লাহ বৰ টান বেমাৰ আছিল।

যেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে যুদ্ধৰ বাবে যাত্ৰা আৰম্ভ কৰিবলৈ লৈছিল তেতিয়া এজনী মহিলা উম্মে ওৱাৰকা বিনতে নওফিলে আবেদন জনাইছিল যে তাইকও জিহাদলৈ অনুমতি দিব লাগে।

এই বুলি যে তাই তেখেত (ছাঃ)ৰ লগত থকা বেমাৰী সকলক শুশ্ৰূষা কৰিব। যাতে আল্লাহ তা'লা তাইক শ্বাহাদত প্ৰদান কৰে। তেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে কৈছিল তুমি নিজৰ ঘৰতে থাকা, আল্লাহ তা'লা তোমাক শ্বাহাদত প্ৰদান কৰিব।

গতিকে হজৰত উমৰ (ৰাঃ)ৰ খিলাফত কালত উম্মে ওৰাৰকাক তাইৰ গোলাম আৰু দাসী এই দুজনে হত্যা কৰিছিল। এনেদৰে হুজুৰ (ছাঃ)ৰ ভৱিষ্যদ্বাণী অনুযায়ী তাই শ্বাহাদত বৰণ কৰিছিল।

বদৰৰ যুদ্ধত মুছলমান সকলৰ ওচৰত পাঁচটা ঘোঁৰা আৰু কিছুমান ৰিৱায়ত অনুযায়ী দুটা ঘোঁৰা আছিল। আৰু ষাটিটা জাৰ সত্তৰ নাইবা আশীটা মান উট আছিল। চাহাবা ইকৰামৰ বাবে আঁহজৰত (ছাঃ)য়ে এয়া দোৱা কৰিছিল যে হে আল্লাহ ! এওঁলোকৰ ভৰি উদং এওঁলোকক বাহন প্ৰদান কৰা। এওঁলোকৰ শৰীৰ নঙঠা, এওঁলোকক পোছাক প্ৰদান কৰা। এওঁলোক ভোকাতুৰ,এওঁলোকৰ ভোক দূৰ কৰি দিয়া, এওঁলোক সম্বলহীন, এওঁলোকক তোমাৰ কৃপাৰে মালদাৰ বনাই দিয়া। দেখা যায় যে এই দোৱা কবুল হয় আৰু যুদ্ধৰ পিছত এনেকুৱা কোনেও নাথাকে যে তাৰ বাহন নাই। খাদ্য সম্ভাৰও ইমানেই আছিল যে খোৱা-লোৱাৰ কোনো অভাৱ নাছিল। বস্ত্ৰহীন সকলেও বস্ত্ৰ পৰিধান কৰিবলৈ পাইছিল। যুদ্ধ বন্দী সকলৰ ৰেহাইৰ নিমিত্তে ইমানেই ধন লাভ কৰিছিল যে কোনেও দৰিদ্ৰ হৈ থকা নাছিল।

হজৰত উচমান (ৰাঃ)ৰ বাদেও কিছুমান মুখলেচিন এনেকুৱা আছিল, যিসকলক হুজুৰ (ছাঃ)য়ে যুদ্ধলৈ যোৱাৰ অনুমতি দিয়া নাছিল। তেওঁলোকৰ মাজত আছিল হজৰত আবু আমামা বিন শ্বোয়ালবা, এখেতৰ মাক বেমাৰ আছিল, হজৰত ছাআদ বিন আবাদা (ৰাঃ), এখেতে লোকক যুদ্ধৰ ট্ৰেইনিং দি আছিল, এখেতক সাপে দংশন কৰিছিল, সেয়ে যুদ্ধলৈ যাব নোৱাৰিছিল। এনেদৰে তেখেত (ছাঃ)য়ে বাটতে কম বয়সৰ জিহাদী সকলক ঘৰলৈ ওভতি যাবলৈ আদেশ দিছিল। এওঁলোকৰ মাজত আমিৰ বিন আবি উকাচ আছিল তেওঁ ওভতি যোৱাৰ আদেশ শুনি কান্দিবলৈ আৰম্ভ কৰাত হুজুৰ (ছাঃ)য়ে তাক যাবলৈ অনুমতি দিছিল। গতিকে তেওঁ যুদ্ধত অংশ গ্ৰহণ কৰি শ্বাহাদত বৰণ কৰে।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে আজি এনে যুগ আহিছে যে মানুহে ইছলাম আৰু ঈমানৰ বাবে কোৰবাণী কৰিবলৈ হলে পিছুৱাই যায়, বিভিন্ন ওজৰ আপত্তি দৰ্শায় আৰু সময়ত গৈ কয় যে মোৰ এই সুবিধা আছিল, সেই বাধা বিপত্তিৰ সন্মুখীন হৈছিলো ইত্যাদি।

কিন্তু ৰছুলুল্লাহ (ছাঃ)ৰ পৱিত্ৰ আধ্যাত্মিক শক্তিৰ অধীনত মুছলমান সকলৰ হৃদয়ত এনেকুৱা প্ৰেৰণা জাগি উঠিছিল যে নাৰী পুৰুষ বাদেই বালক বালিকা সকলেও প্ৰেৰণাময়ী হৈ উঠিছিল, এক নৱজাগৰণ তেওঁলোকৰ মাজত জাগি উঠিছিল।

এই অভিযানলৈ যোৱাৰ সময়ত আঁহজৰত (ছাঃ)য়ে নিজৰ সলনি আব্দুল্লাহ বিন উম্মে মকতুমক মদিনাৰ আমিৰ নিযুক্ত কৰি থৈ ইফালে মদিনাৰ ব্যৱস্থাপনা মজবুত ৰখাৰ প্ৰয়োজন আছে, সেয়ে তেখেত (ছাঃ)য়ে আকৌ আব্দুল্লাহৰ সলনি আবুল বাবা বিন মনজৰক মদিনাৰ আমিৰ বনাই বাটৰ পৰা ওভতাই পঠিয়াই। এনেদৰে কুবাৰ নিমিত্তে আছিল বিন আদিক আমিৰ নিযুক্ত কৰে। হুজুৰ (ছাঃ)য়ে ইছলামী সৈন্য বাহিনীৰ পতাকা মছাআব বিন উমিৰ (ৰাঃ)ৰ হাতত প্ৰদান কৰিছিল। এই পতাকা আছিল বগা আৰু ইয়াৰ ওপৰি কলা পতাকা আছিল, যিবিলাকৰ পৰা এখন হজৰত আলি

(ৰাঃ)ৰ হাতত আছিল। এই পতাকাখন হজৰত আয়শা (ৰাঃ)ৰ উৰণিৰ কাপোৰেৰে বনোৱা হৈছিল। এনেদৰে আন এখন ক’লা পতাকা এজন আনছাৰী চাহাবীৰ ওচৰত আছিল। আন এটা ৰিৱায়ত অনুযায়ী ইছলামী সৈন্য বাহিনীৰ ওচৰত তিনিখন পতাকা আছিল। মুহাজেৰিণ সকলৰ পতাকা হজৰত মুছাআব বিন উমেৰ (ৰাঃ)ৰ ওচৰত,খজৰজ কবিলাৰ পতাকা হজৰত হবাব বিন মনজৰ (ৰাঃ)ৰ ওচৰত আৰু আউচ কবিলাৰ পতাকা হজৰত ছাআদ বিন মুৱাজ (ৰাঃ)ৰ ওচৰত আছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে বৰ্ণনাৰ ধাৰাবাহিকতা ইনশা আল্লাহ আগলৈও চলিব। লগতে তলত উল্লেখিত মৰহুমিন সকলৰ চমু পৰিচয় দি নামাজে জানাজা পঢ়োৱাৰ ঘোষণা কৰে।

ইয়াৰে প্ৰথমজন হ’ল মকৰম শ্বেখ গোলাম ৰহমানি চাহাব ইউ.কে,দ্বিতীয়তে মকৰম তাহিৰ আইএজি হামা চাহাব (মেহেদীয়াবাদ ডুৰি বৰকিনা ফাছো) তৃতীয়তে মকৰম খোৱাজা দাউদ আহমদ চাহাব। চতুৰ্থতে মকৰম  ছৈয়দ তনবিৰ শ্বাহ চাহাব (ছিকাটুন কানাডা) হুজুৰ আনোৱাৰ (আইঃ)য়ে মৰহুমিন সকলৰ বাবে ক্ষমা আৰু উন্নীত মৰ্যাদা প্ৰাপ্তিৰ বাবে দোৱা কৰে।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ عِبَادَ اللّٰهِ رحمکم اللّٰه اِنَّ اللّٰهَ يَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 16 JUNE 2023

BOOK POST (PRINTED MATTER

TO ,

.....................................................................................................................

.....................................................................................................................

.....................................................................................................................

From:-Ahmadiyya Circle Office Abhayapuri M.G. Road w/n -IV, Bongaigaon Assam 783384
#6000032598, 9707110844